# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 20-12-2024
**Time :** 0900 Hrs

# *Assamese Morning Bulletin*
# *Headlines*

- - - - - - - - - - - - - - -

১। নামৰূপ সাৰ কাৰখানাক পুনৰুজ্জীৱিত কৰাৰ লক্ষ্যৰে কাৰখানাটোৰ চতুৰ্থটো গোটৰ নিৰ্মাণৰ বাবে প্ৰয়োজন হোৱা মূলধনৰ ৪০ শতাংশ অংশীদাৰিত্ব লোৱাৰ সিদ্ধান্তত অসম মন্ত্ৰীসভাৰ অনুমোদন।

২। ৰাজ্য চৰকাৰৰ বিকাশৰ ১২ দিন কাৰ্যসূচীৰ অংশ হিচাপে নগাঁৰত আয়োজিত কাৰ্যসূচীত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ অংশগ্ৰহণ।

৩। অসমত ৰে'লসেৱাৰ সা-সুবিধা বৃদ্ধিকে ধৰি ভালেমান দাবী লৈ সাংসদ বিজুলী কলিতা মেধিৰ ৰে'লমন্ত্ৰী অশ্বিনী বৈষ্ণৱক সাক্ষাৎ।

৪। সাপ থাকিলেহে মানুহ থাকিব বুলি নগাঁও গ্ৰন্থমেলাত সৰ্পদংশন বিশেষজ্ঞ ডাঃ সুৰজিত গিৰিৰ প্ৰকাশ।

**আৰু**

৫। ভাৰতৰ ৰিছা ঘোষৰ টি-২০ বিশ্বকাপত দ্ৰুততম অৰ্ধশতৰাণ সংগ্ৰহৰ নতুন বিশ্ব অভিলেখ স্থাপন।

অসম মন্ত্ৰীসভাই নামৰূপ সাৰ কাৰখানাক পুনৰুজ্জীৱিত কৰাৰ লক্ষ্যৰে কাৰখানাটোৰ চতুৰ্থটো গোটৰ নিৰ্মাণৰ বাবে প্ৰয়োজন হোৱা ১০ হাজাৰ ৬০১ কোটি টকাৰ ৪০ শতাংশ অংশীদাৰিত্ব লোৱাৰ সিদ্ধান্তত অনুমোদন জনাইছে। দিছপুৰত অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকত কালি এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। বৰ্তমান ১ লাখ ৮০ হাজাৰ মেট্ৰিক টন ইউৰিয়া উৎপাদন হোৱা এই সাৰ কাৰখানাটোৰ চতুৰ্থ গোটটো কাৰ্যক্ষম হ'লে ১২ লাখ মেট্ৰিক টন ইউৰিয়া আৰু এম'নিয়া উৎপাদন কৰা হ'ব। মন্ত্ৰীসভাই লগতে সোণোৱাল কছাৰী স্বায়ত্ত শাসিত পৰিষদৰ অধীনৰ গাঁওসমূহৰ অধিসূচিত তালিকাৰ কিছু গাঁৱত সোণোৱাল অংশ অন্তৰ্ভুক্ত কৰাৰ ক্ষেত্ৰত সংশোধনৰ বাবে অনুমোদন জনায়। উত্তৰ গুৱাহাটীৰ ৰংমহলত এখন অত্যাধুনিক ন্যায়িক টাউনশ্বিপ নিৰ্মাণৰ বাবে প্ৰয়োজন হোৱা ভূমিৰ আবণ্টনত মন্ত্ৰীসভাই অনুমোদন দিয়াৰ লগতে ভূমি অধিগ্ৰহণৰ বাবে ৮০ কোটি টকাও অনুমোদন দিয়ে। এই ন্যায়িক টাউনশ্বিপৰ বাবে ৭৫ বিঘা মাটিৰ প্ৰয়োজন হ'ব। মন্ত্ৰীসভাই লগতে মিছন বসুন্ধৰাৰ তৃতীয় পৰ্যায়ত আবেদন কৰিবলৈ মন্দিৰ, নামঘৰ, ক্লাব, সাংস্কৃতিক অনুষ্ঠান-প্ৰতিষ্ঠানক সমিতিসমূহৰ পঞ্জীয়ন নালাগে বুলি সিদ্ধান্ত গ্ৰহণ কৰে। তদুপৰি ৰাজ্যৰ ছখন জিলাত গ্ৰাম্য

যাতায়ত ব্যৱস্থা উন্নীতকৰণৰ বাবে নাবাৰ্ডৰ অধীনত ১৪টা গ্ৰাম্য পথ প্ৰকল্প নিৰ্মাণতো মন্ত্ৰীসভাই অনুমোদন জনায়।

০০০০০

ৰাজ্য চৰকাৰৰ বিকাশৰ ১২ দিন কাৰ্যসূচীৰ অংশ হিচাপে আজিও কেইবাখনো জিলাত বিভিন্ন চৰকাৰী আঁচনিৰ বঁটা প্ৰদানৰ লগতে আৰ্থিক সাহায্য প্ৰদান কৰা হ'ব। নগাঁও জিলাত এই উপলক্ষে আয়োজিত কাৰ্যসূচীত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানত জিলাখনৰ ৩ হাজাৰ ৪৫০গৰাকী ছাত্ৰ-ছাত্ৰীক প্ৰজ্ঞান ভাৰতী আঁচনিৰ ড° বাণীকান্ত কাকতি মেধা বঁটাৰ অধীনত স্কুটী প্ৰদান কৰা হ'ব। তদুপৰি মুখ্যমন্ত্ৰীৰ বিশেষ আঁচনিৰ অধীনত নৱম শ্ৰেণীত অধ্যয়নৰত ১৬ হাজাৰ ৫৬০ গৰাকী শিক্ষাৰ্থীক চাইকেল প্ৰদান কৰাৰ লগতে এহেজাৰ ৮৫৬ গৰাকী ছাত্ৰ-ছাত্ৰীলৈ আনন্দ ৰাম বৰুৱা বঁটা নগদ ধনৰ পুৰস্কাৰ প্ৰত্যক্ষভাৱে হস্তান্তৰ কৰা হ'ব। অনুষ্ঠানত মন্ত্ৰী বিমল বৰা আৰু কেশৱ মহন্তই অংশগ্ৰহণ কৰিব।

নলবাৰী জিলাত বিকাশৰ ১২ দিন কাৰ্যসূচীত পৰিৱেশ আৰু বনমন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, শোণিতপুৰ জিলাত মন্ত্ৰী পীযুষ হাজৰিকা, বিশ্বনাথ জিলাত অশোক সিংহাল আৰু হোজাইত মন্ত্ৰী নন্দিতা গাৰ্লোচা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। নলবাৰী জিলাত আজি বিকাশৰ ১২ দিন কাৰ্যসূচীত অসম মাইক্ৰ' ফাইনেন্স উদগনি আৰু সকাহ আঁচনি ২০২১ৰ অধীনত তৃতীয়বৰ্গৰ দুহেজাৰ ৮৯৭ গৰাকী ঋণীলৈ ঋণমুক্তিৰ প্ৰমাণ-পত্ৰ প্ৰদান কৰা হ'ব। প্ৰধানমন্ত্ৰী ক্ষুদ্ৰ খাদ্য প্ৰ-সংস্কৰণ উদ্যোগ আঁচনিৰ অধীনত ১৬০ গৰাকী মহিলাৰ মাজত ৰাজ সাহায্য বিতৰণ কৰাৰ লগতে দুৰ্যোগত ক্ষতিগ্ৰস্ত এটা পৰিয়ালক পোনপটীয়াকৈ আৰ্থিক সাহায্য প্ৰদান কৰা হ'ব।

০০০০০

বি টি চি বিধায়িনী পৰিষদৰ নিৰ্বাচনত বি পি এফৰ প্ৰাৰ্থিত্বৰ প্ৰত্যাশীসকলক কাইলৈৰ পৰা ১৫ জানুৱাৰীৰ ভিতৰত আৱেদন কৰিবলৈ বড়োলেণ্ড পিপলছ পাৰ্টিৰ সভাপতি হাগ্ৰামা মহিলাৰীয়ে আহ্বান জনাইছে। চিৰাং জিলাৰ নিলিবাৰীত কালি বি পি এফৰ কেন্দ্ৰীয় সমিতিৰ এখন বৈঠকত অংশগ্ৰহণ কৰি শ্ৰীমহিলাৰীয়ে কয়, যে বি পি এফে এইবাৰ অকলে নিৰ্বাচনী যুঁজত অৱতীৰ্ণ হ'ব। অৱশ্যে কোনো দলে যদি মিত্ৰতাৰ বাবে আগবাঢ়ি আহে তেনেহ'লে সেই বিষয়ত পৰৱৰ্তী সময়ত আলোচনা কৰা হ'ব। বি পি এফে অতি সোণকালে দলীয় প্ৰাৰ্থীৰ তালিকা প্ৰস্তুত কৰিব বুলি সভাপতিগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০

গুৱাহাটী লোকসভা সমষ্টিৰ সাংসদ বিজুলী কলিতা মেধিয়ে কালি নতুন দিল্লীত ৰে'লমন্ত্ৰী অশ্বিনী বৈষ্ণৱক সাক্ষাৎ কৰি অসমত ৰে'লসেৱাৰ সা-সুবিধা বৃদ্ধি কৰিবলৈ অনুৰোধ জনায়। ৰে'লমন্ত্ৰীৰ হাতত অৰ্পণ কৰা এখন স্মাৰকপত্ৰত সাংসদগৰাকীয়ে গুৱাহাটী ৰে'ল ষ্টেচনৰ সম্প্ৰসাৰণৰ বাবে নিউ গুৱাহাটীত থকা ভাৰতীয় খাদ্য নিগমৰ গুদামৰ ভূমি অধিগ্ৰহণৰ সম্ভাৱনীয়তা বিচাৰ কৰিবলৈ ৰে'লমন্ত্ৰীক অনুৰোধ জনায়। গুৱাহাটীৰ পৰা দেশৰ বিভিন্ন প্ৰান্তলৈ যাত্ৰা কৰা ৰে'লগাড়ীসমূহ ঘূৰিপকি যোৱা পথৰ পৰিৱৰ্তে হ্ৰস্বতম পথেৰে চলাচল কৰা, গুৱাহাটী আৰু ডিব্ৰুগড়ৰ মাজত পুনৰ শতাব্দী এক্সপ্ৰেছ চলাচল কৰোৱা, গুৱাহাটী আৰু নিউ জলপাইগুৰিৰ মাজত চলাচল কৰা বন্দে ভাৰত এক্সপ্ৰেছখন পুৱাৰ ভাগত গুৱাহাটীৰ পৰা চলাচল কৰোৱা, ক'ভিড কালত বন্ধ কৰা ৰে'লগাড়ীসমূহ পুনৰ প্ৰৱৰ্তন কৰা আৰু গুৱাহাটীৰ পৰা

স্থানীয় ৰে’লগাড়ীৰ চলাচল আৰম্ভ কৰা আদি কেইবাটাও দাবী সম্পৰ্কত সাংসদগৰাকীয়ে ৰে’লমন্ত্ৰীক অৱগত কৰায়। ৰে’লমন্ত্ৰী বৈষ্ণৱে সাংসদগৰাকীৰ দাবীসমূহ সহানুভূতিৰে বিবেচনা কৰাৰ আশ্বাস দিয়ে।

০০০০০

গুৱাহাটী মহানগৰীৰ পল্টন বজাৰ আৰু পানবজাৰক সংযোগ কৰি উত্তৰ-পূব সীমান্ত ৰে’লৱেই ১৯৬৫ চনত নিৰ্মাণ কৰা পানবজাৰ ৰিল অভাৰব্ৰীজখনৰ স্থানত এখন নতুন ৰেল অভাৰব্ৰীজ নিৰ্মাণৰ কাম আৰম্ভ কৰা হৈছে। এই নতুন অভাৰব্ৰীজখন পূৰ্বৰখনতকৈ অধিক উচ্চতাত নিৰ্মাণ কৰাৰ ব্যৱস্থা কৰা হৈছে আৰু ইয়াৰ ফলত সমীপতে থকা গুৱাহাটী ৰে’ল ষ্টেশ্যনৰ ৰে’ল লাইন আৰু প্লেটফৰ্মৰ দৈৰ্ঘ্য বৃদ্ধি কৰিব পৰা হ’ব। তদুপৰি, বৈদ্যুতিক ৰে’লগাড়ীৰে সৰবৰাহ কৰা বৃহৎ মালবাহী দবাও এই নতুন অভাৰব্ৰীজৰ তলেৰে সুকলমে পাৰ হৈ যাব পাৰিব। এই নতুন অভাৰব্ৰীজখনত পূৰ্বৰ দুশাৰীয়াৰ পৰিৱৰ্তে তিনিশাৰীয়াকৈ নিৰ্মাণ কৰা হ’ব। উত্তৰ-পূব সীমান্ত ৰে’লৱেৰ মহাপ্ৰবন্ধক চেতন কুমাৰ শ্ৰীবাস্তৱৰ নেতৃত্বত উচ্চ পৰ্যায়ৰ দলে ইতিমধ্যে এই নিৰ্মাণ কাৰ্য পৰিদৰ্শন কৰিছে আৰু অভাৰব্ৰীজখনৰ নিৰ্মাণৰ কাম নিৰ্ধাৰিত সময়ৰ ভিতৰত সম্পূৰ্ণ কৰিবলৈ নিৰ্মাণৰ সৈতে জড়িত বিষয়াবৰ্গক নিৰ্দেশ দিছে বুলি ৰে’লৱেৰ এখন প্ৰেছ বিজ্ঞপ্তিত কোৱা হৈছে।

০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰত অংশকালীন সংবাদদাতা হিচাপে ডিব্ৰুগড়, ধেমাজি, বিশ্বনাথ, হোজাই, কামৰূপ, বজালী, পশ্চিম কাৰ্বি আংলং আৰু কাছাৰ জিলাৰ আগ্ৰহী প্ৰাৰ্থীৰ পৰা আবেদন বিচৰা হৈছে। সবিশেষ জানিবলৈ আৰু আবেদন পত্ৰ ডাউনলোড কৰিবলৈ প্ৰাৰ্থীয়ে www.newsonair.gov.in ত লগ ইন কৰিব পাৰে। অহা ১০ জানুৱাৰী ২০২৫ৰ ভিতৰত সম্পূৰ্ণ আবেদন পত্ৰ The Head of Office, Akashvani, Guwahati, Guwahati-781003 লৈ পঠাব লাগিব। প্ৰাৰ্থীয়ে নিজ হাতেও আবেদন পত্ৰ জমা দিব পাৰে।

০০০০০

নগাঁৱৰ নেহেৰুবালিত অনুষ্ঠিত নগাঁও গ্ৰন্থমেলাৰ কাৰ্যসূচীৰ অংশ হিচাপে কালি পৰিৱেশ সজাগতা শীৰ্ষক এখন আলোচনাচক্ৰ অনুষ্ঠিত হয়। আলোচনাচক্ৰত অংশগ্ৰহণ কৰি শিৱসাগৰৰ ডিমৌ প্ৰাথমিক চিকিৎসালয়ৰ চিকিৎসক সুৰজিত গিৰিয়ে প্ৰকৃতি সুৰক্ষাত সাপৰ ভূমিকা সন্দৰ্ভত ভাষণ দিয়ে। সৰ্প দংশনৰ চিকিৎসাৰ ক্ষেত্ৰত নতুন দিগন্তৰ সূচনা কৰি চিকিৎসকগৰাকীয়ে প্ৰায় এহেজাৰ ৫০০ চিকিৎসকক এই বিষয়ত প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰিছে। অসমত পোৱা ৭৬বিধ সাপৰ ভিতৰত মাত্ৰ ৭বিধ সাপহে বিষাক্ত বুলি শ্ৰীগিৰিয়ে প্ৰকাশ কৰে। এই সম্পৰ্কে আমাৰ সংবাদদাতা মুনীন্দ্ৰ শইকীয়াই বিতংকৈ জনাইছে।

**ঃবাইটঃ মুনীন্দ্ৰ শইকীয়া**

০০০০০

ৰাজ্যৰ বিদ্যালয় শিক্ষা বিভাগে বিদ্যালয় চলি থকাৰ সময়ছোৱাত শিক্ষকসকলক ব্যক্তিগত কামত সচিবালয়, সঞ্চালকালয়, জিলা কাৰ্যালয়, খণ্ড কাৰ্যালয় আদিলৈ যোৱাৰ পৰা বিৰত থাকিবলৈ সকলো শিক্ষকক নিৰ্দেশ জাৰি কৰিছে। বিদ্যালয় শিক্ষা বিভাগৰ সচিব নাৰায়ণ কোঁৱৰ স্বাক্ষৰিত এই নিৰ্দেশটোত বিদ্যালয়ৰ সময়ৰ পাছতহে শিক্ষকসকলে ব্যক্তিগত কামত এই স্থানবোৰলৈ যাব পাৰিব বুলি উল্লেখ কৰা

হৈছে। বিদ্যালয়খন নিয়মীয়াকৈ চলি থকাৰ লগতে শৈক্ষিক নিয়মানুৱৰ্তিতা বজাই ৰখাৰ স্বাৰ্থত সকলোকে এই নিৰ্দেশনা কঠোৰভাৱে মানি চলিবলৈ নিৰ্দেশ দিয়া হৈছে।

০০০০০

ৰাজ্যৰ চাহ জনগোষ্ঠীয় লোকসকলৰ বৰ্ণাঢ্য সংস্কৃতিৰ অন্যতম ঝুমুৰ নৃত্যক বিশ্ববাসীৰ সৈতে পৰিচয় কৰাই দিয়াৰ লক্ষ্যৰে ৰাজ্য চৰকাৰৰ উদ্যোগত অহা বছৰৰ ২৪ ফেব্ৰুৱাৰীত সৰুসজাই ক্ৰীড়া প্ৰকল্পত **ঝুমুইৰ বিনন্দিনী** শীৰ্ষক এটা অনুষ্ঠানৰ আয়োজন কৰা হৈছে। এই অনুষ্ঠানৰ প্ৰস্তুতি সন্দৰ্ভত কালি সাংস্কৃতিক মন্ত্ৰী বিমল বৰাৰ সভাপতিত্বত আয়োজিত এখন সভাত চাহ জনগোষ্ঠীয় সংস্কৃতিৰ সৈতে জড়িত কেইবাগৰাকী লোকশিল্পী, বিশেষজ্ঞ, ওজা প্ৰশিক্ষকৰ লগতে কেইবাটাও চৰকাৰী বিভাগৰ বিষয়াসকলৰ সৈতে আলোচনা কৰা হয়। বিশ্ব অভিলেখ গঢ়াৰ লক্ষ্যৰে আয়োজন কৰা এই অনুষ্ঠানত ব্ৰহ্মপুত্ৰ আৰু বৰাক উপত্যকাৰ ৭ হাজাৰ ৫০০ গৰাকী পুৰুষ আৰু মহিলা নৃত্য শিল্পীয়ে অংশগ্ৰহণ কৰিব।

০০০০০

বনভোজৰ বতৰ আৰম্ভ হোৱাৰ লগে লগে ৰাজ্যবাসীৰ নিৰাপত্তা সু-নিশ্চিত কৰিবলৈ পৰিবহণ বিভাগে জনসাধাৰণক পথ সুৰক্ষাক অগ্ৰাধিকাৰ দিবলৈ আহ্বান জনাইছে আৰু এলানি পৰামৰ্শ প্ৰকাশ কৰিছে। ভ্ৰমণৰ বাবে সুৰাপান নকৰা চালকক নিযুক্তি, বিজুতীবিহীন বাহন ব্যৱহাৰ, ছীট বেল্ট আৰু হেলমেট পৰিধান, নিৰাপদে পাৰ্কিং পৰিকল্পনা আদি নিশ্চিত কৰাৰ লগতে নিজৰ ঠিকনা আৰু গন্তব্য স্থান সম্পৰ্কে স্থানীয় আৰক্ষীক অৱগত কৰিবলৈ পৰিবহণ বিভাগে আহ্বান জনাইছে।

০০০০০

অসম আৰক্ষীৰ ২০২ টা উপ-পৰিদৰ্শক পদ আৰু অসামৰিক প্ৰতিৰক্ষা বাহিনীৰ এটা সহকাৰী উপ-নিয়ন্ত্ৰক পদৰ বাবে অহা ৫ জানুৱাৰীত লিখিত পৰীক্ষা অনুষ্ঠিত হ'ব। ৰাজ্যিক পৰ্যায়ৰ আৰক্ষী নিযুক্তি ব'ৰ্ডে কালি এই কথা ঘোষণা কৰিছে। এই অনুসৰি লিখিত পৰীক্ষাৰ বাবে প্ৰাৰ্থীসকলে ২৩ ডিচেম্বৰৰ পুৱা ১১ বজাৰ পৰা www.slprbassam.in ৱেবছাইট যোগে এডমিট কাৰ্ড ডাউনলোড কৰিব পাৰিব।

০০০০০

ড° বি আৰ আম্বেদকাৰ সন্দৰ্ভত গৃহমন্ত্ৰী অমিত শ্বাহৰ মন্তব্যই সৃষ্টি কৰা বিতৰ্কই কালি সংসদ ভৱনৰ চৌহদত হতাহতিৰ ৰূপ লোৱাৰ বাতৰিটো **দৈনিক অসম** কাকতে **লজ্জা, ৰণথলী হ'ল সংসদ চৌহদ** শিৰোনামেৰে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। একেটা বাতৰিকে **দৈনিক জনমভূমি, অসমীয়া খবৰ, দি আছাম ত্ৰিবিউন** কাকতে ফটো সহকাৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

পাঠদান চলি থকা সময়ত শিক্ষকসকল বিদ্যালয়ত উপস্থিত থকাটো নিশ্চিত কৰিবলৈ শেহতীয়াকৈ ৰাজ্যৰ বিদ্যালয় শিক্ষা বিভাগে কঠোৰ নিৰ্দেশনা জাৰি কৰা বাতৰিটোক **নিয়মীয়া বাৰ্তা** কাকতে মুখ্য বাতৰিত স্থান দিছে।

গুৱাহাটী উচ্চ ন্যায়ালয়ে অসমত পঞ্চায়ত নিৰ্বাচনৰ অধিসূচনা জাৰি কৰাৰ ক্ষেত্ৰত ৰাজ্যিক নিৰ্বাচন আয়োগৰ ওপৰত ৯ জানুৱাৰীলৈকে নিষেধাজ্ঞা আৰোপ কৰাৰ বাতৰিটো **দৈনিক অগ্ৰদূত** কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে।

অসম কংগ্ৰেছৰ ৰাজভৱন ঘেৰাও কাৰ্যসূচীক কেন্দ্ৰ কৰি যোৱা বুধবাৰে গুৱাহাটীত সৃষ্টি হোৱা অশান্ত পৰিস্থিতিৰ তদন্তৰ বাবে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই দিয়াৰ বাতৰিটো **আমাৰ অসম** কাকতে **ৰাজভৱন**

**কাণ্ডৰ তদন্ত ঘোষণা মুখ্যমন্ত্ৰীৰ, কংগ্ৰেছে বিচাৰিছে ন্যায়িক তদন্ত** শিৰোনামেৰে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

ৰাজ্যৰ বিত্তীয় পৰিস্থিতিৰ জোৰা মাৰিবলৈ ৰাজ্য চৰকাৰে ভাৰতীয় ৰিজাৰ্ভ বেংকৰ জৰিয়তে পুনৰ ৯০০ কোটি টকাৰ ঋণ ল'বলৈ সাজু হোৱাৰ বাতৰিটো **অসমীয়া প্ৰতিদিন** কাকতে মুখ্য বাতৰিত স্থান দিছে।

ৰাজ্যিক মন্ত্ৰীসভাৰ বৈঠকত ৰাজ্য চৰকাৰে নামৰূপ সাৰ কাৰখানাৰ চতুৰ্থ গোটৰ ৪০ শতাংশ অংশীদাৰিত্ব লোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰাৰ বাতৰিটো **দ্যা ছেণ্টিনেল** কাকতে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। একেটা বাতৰিকে **অসমীয়া খবৰ, দৈনিক অগ্ৰদূত** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ কেইটিমান বাতৰি।

০০০০০

ভাৰতৰ ৰিছা ঘোষে মহিলা টি-২০ বিশ্বকাপত দ্ৰুততম অৰ্ধশতৰাণ সংগ্ৰহৰ নতুন বিশ্ব অভিলেখ স্থাপন কৰিছে। যোৱা নিশা মুম্বাইৰ ডি ৱাই পাটিল ষ্টেডিয়ামত ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে অনুষ্ঠিত মহিলাৰ টি-টুৱেণ্টি শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেলত ৰিছা ঘোষে ১৮টা বলত অৰ্ধশতৰাণ সংগ্ৰহ কৰে। কালিৰ খেলখনত ভাৰতে ৱেষ্টইণ্ডিজক ৬০ ৰানৰ ব্যৱধানত পৰাস্ত কৰি ২-১ ফলাফলেৰে শৃংখলা দখল কৰে। কালিৰ খেলখনত প্ৰথমে বেট ধৰি ভাৰতীয় দলটোৱে চাৰিটা উইকেটৰ বিনিময়ত নিৰ্ধাৰিত ২০অভাৰত ২১৭ৰান সংগ্ৰহ কৰে। খেলখনত স্মৃতি মান্ধনাই ৪৭টা বলত ৭৭ ৰান আৰু ৰিচা ঘোষে ২১টা বলত ৫৪ ৰানৰ বৰঙণি আগবঢায়। খেলখনত ৱেষ্ট ইণ্ডিজে নিৰ্ধাৰিত ২০ অভাৰত ৯টা উইকেট হেৰুৱাই ১৫৭ ৰান সংগ্ৰহ কৰিবলৈ সমৰ্থ হয়। ভাৰতৰ হৈ ৰাধা যাদৱে ৪টা উইকেট দখল কৰে। ৰিচা ঘোষে প্লেয়াৰ অৱ দ্য মেচ সন্মান লাভ কৰে আৰু স্মৃতি মান্ধনাক প্লেয়াৰ অৱ দ্য ছিৰিজ সন্মান প্ৰদান কৰা হয়।

০০০০০

বতৰৰ বতৰা– বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই দিয়া আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত অসমত সামগ্ৰীকভাৱে বতৰ ফৰকাল থাকিব আৰু বিভিন্ন স্থানত পাতলীয়াৰ পৰা মজলীয়া কুঁৱলী পৰাৰ সম্ভাৱনা আছে। কালি গুৱাহাটীৰ সৰ্বোচ্চ তাপমাত্ৰা আছিল ২৬ দশমিক ২ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা আছিল ১২ দশমিক ২ ডিগ্ৰী ছেলছিয়াছ। আজি গুৱাহাটী আৰু ইয়াৰ কাষৰীয়া অঞ্চলৰ তাপমাত্ৰা সৰ্বোচ্চ ২৬ দশমিক ২ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ১২ দশমিক ২ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই জানিবলৈ দিছে। উত্তৰ-পূৰ্বাঞ্চলৰ কেইবাখনো ৰাজ্যত অহা ২৪ ঘণ্টাত বতৰ শুকান হৈ থকাৰ লগতে কম-বেছি পৰিমাণে কুঁৱলী পৰাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই প্ৰকাশ কৰিছে।

০০০০০

সমাপ্ত